নিয়মীয়া বাৰ্তা বৃহস্পতিবাৰ, ২৭ মাৰ্চ ২০২৫ অসম

# দিছপুৰ কলেজত অসমীয়া লিপিক লৈ বক্তৃতানুষ্ঠান

**গুৱাহাটী, ২৬ মাৰ্চ ঃ** সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ পুণ্য স্মৃতি দিৱসৰ স'তে সংগতি ৰাখি দিছপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত অসমীয়া লিপি বিষয়ক এটি বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ বিভাগীয় গীতেৰে আৰম্ভ হোৱা বক্তৃতানুষ্ঠান বন্তি প্ৰজ্বলন আৰু সাহিত্যৰথীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণেৰে শুভাৰম্ভ কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই। তেওঁ ভাষণত বিভাগৰ প্ৰচেষ্টাক শলাগ জনাই ভৱিষ্যতে ছাত্ৰ-ছাত্ৰীক উপকৃত কৰিব পৰা বিষয়ৰ ওপৰত এনেধৰণৰ বক্তৃতা অনুষ্ঠিত কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত মুখ্য বক্তা হিচাপে উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ জ্যেষ্ঠ অধ্যাপক তথা অসমৰ এগৰাকী বিশিষ্ট গৱেষক ড° কনক চন্দ্ৰ চহৰীয়া। তেওঁ অনুষ্ঠানৰ মূল বক্তৃতা অসমীয়া লিপি সম্পৰ্কে অতি তথ্যগধুৰ ভাষণ দিয়ে। তেওঁ অসমীয়া লিপি বিষয়ত ক'বলৈ গৈ প্ৰাচীন শিলালিপি, তাম্ৰলিপি তথা সাঁচিপতীয়া লিপিৰ পৰা আধুনিক লিপিলৈ এক সামগ্ৰিক ব্যাখ্যা দাঙি ধৰে। লগতে ছাত্ৰ-ছাত্ৰীসকলক পুৰণি অসমীয়া আখৰৰ গঢ়ৰ পৰা কেনেকে অসমীয়া লিপি আধুনিক অসমীয়া আখৰলৈ পৰ্যবসিত হ'ল তাৰ বিশদ বৰ্ণনা দাঙি ধৰে। বিভাগৰ চতুৰ্থ ষাণ্মাসিকৰ ছাত্ৰ চন্দন কলিতাই আঁত ধৰা বক্তৃতানুষ্ঠান সঞ্চালনা কৰে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক অজিত প্ৰসাদ শৰ্মাই। অনুষ্ঠানত অসমীয়া বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰী ড° মালবিকা ভট্টাচাৰ্য, বৰ্ণালী বৰা, লীমা কলিতা আৰু ডিম্পী দাস তথা ২য়, ৪ৰ্থ আৰু ৬ষ্ঠ ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

